**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 22-04-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। অসমত ৪ মে’ত হ’বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

২। ৰাজ্যত ম’হযুঁজ অনুষ্ঠিত কৰাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিষেধাজ্ঞা।

৩। দেশ-বিদেশত বিশ্ব ধৰিত্ৰী দিৱস পালন।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ আৰু ৰাজস্থান ৰয়েলছ্ মুখামুখি।

০০০০০০০

———নিৰ্বাচন আয়োগে ৪ মে’ৰ ভোটগণনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনা প্ৰক্ৰিয়া যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। ইয়াৰ অংশ হিচাপে আয়োগে অহা ২৫ এপ্ৰিলত ৰাজ্যৰ সকলো জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়াক গুৱাহাটীলৈ তলব কৰিছে। সেইদিনা ভোটগণনাৰ সৈতে জড়িত প্ৰায় ২০০ গৰাকী বিষয়াক বিশেষ প্ৰশিক্ষণ দিয়া হ’ব। বিশেষকৈ ভোটগণনা প্ৰক্ৰিয়া কেনেদৰে পৰিচালনা কৰা হ’ব, কাউণ্টিং এজেণ্ট - সংবাদ মাধ্যমৰ সৈতে কিদৰে যোগাযোগ ৰক্ষা কৰা হ’ব, সেই বিষয়ে পুংখানুপুংখভাৱে বুজোৱা হ’ব। জিলা আয়ুক্তসকলে গুৱাহাটীত প্ৰশিক্ষণ লাভ কৰাৰ পাছত ৩০ এপ্ৰিলৰ পৰা নিজ নিজ জিলাত ভোটগণনাৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ প্ৰদান কৰিব। ইপিনে, নিৰ্বাচন আয়োগে গুৱাহাটীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰৰ ষ্ট্ৰং ৰূমত পানী সোমোৱা বুলি বাতৰি পৰিৱেশন কৰা কেইবাটাও প’ৰ্টেলৰ বিৰুদ্ধে চাইবাৰ থানাত এজাহাৰ দাখিল কৰিছে।

০০০০০০০

ধুবুৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত যোৱানিশা অহা এজাক প্ৰচণ্ড ধুমুহা-বৰষুণে বিস্তৰ ক্ষতি কৰে। ধুমুহাৰ ফলত ধুবুৰী চহৰ আৰু গ্ৰাম্য অঞ্চলসমূহৰ বহু পৰিয়াল ক্ষতিগ্ৰস্ত হয়। জিলাখনৰ সদৰ ধুবুৰী নগৰৰ লগতে ইয়াৰ উপকণ্ঠ অঞ্চলৰ বহু লোকৰ বাসগৃহ, গোহালি, দোকানঘৰ আদি ধুমুহাই ভাঙি পেলোৱাৰ লগতে ঘৰৰ টিনপাতো উৰুৱাই লৈ যায়। আনহাতে, সমগ্ৰ অঞ্চলটোৰ কেইবাজোপাও প্ৰকাণ্ড গছ উভালি পৰাৰ লগতে বিদ্যুৎ পৰিবাহী তাঁৰৰ ওপৰত গছ পৰাত বৃহত্তৰ অঞ্চলটোত সম্প্ৰতি বিদ্যুৎ যোগান সম্পূৰ্ণৰূপে ব্যাহত হৈ আছে। ইফালে, ধেমাজি জিলাৰ জোনাইত কালি সন্ধিয়া বজ্ৰ পৰি পাঁচটাকৈ গো-ধনৰ মৃত্যু হয়। অঞ্চলটোৰ ভৰেন্দ্ৰ সোণোৱাল, নিতুল শইকীয়াকে ধৰি আন তিনিগৰাকী কৃষকৰ গো ধনৰ মৃত্যু হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

পিপল ফৰ দা এথিকেল ট্ৰিটমেণ্ট অৱ এনিমেলছ চমুকৈ পেটা ইণ্ডিয়াৰ লেখ আবেদনৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত ম'হযুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। লগতে পৰৱৰ্তী নিৰ্দেশ নহালৈকে এনে অনুষ্ঠানৰ আয়োজকসকলৰ বিৰুদ্ধে উচিত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিছে। ন্যায়াধীশ অঞ্জনমণি কলিতাই যোৱা ৪ এপ্ৰিলত শুনানি গ্ৰহণ কৰা গোচৰৰ এই অন্তৰৰ্তীকালীন আদেশ কালি প্ৰকাশ পায়। যোৱা জানুৱাৰী মাহত মাঘ বিহুৰ সময়ত ৰাজ্যৰ বিভিন্ন জিলাত বেআইনীভাৱে ম'হযুঁজ অনুষ্ঠিত কৰাৰ অভিযোগ তুলি পেটাই দাখিল কৰা আবেদনৰ শুনানিত আদালতে কয়, যে পশুৰ প্ৰতি নিষ্ঠুৰতা আইন ১৯৬০ৰ অধীনত ম'হযুঁজৰ অনুমতি নাই। উল্লেখযোগ্য যে ২০২৪ চনৰ ডিচেম্বৰত উচ্চ ন্যায়ালয়ে ম'হ আৰু বুলবুলি যুঁজৰ অনুমতি দিয়া ৰাজ্য চৰকাৰৰ নিৰ্দেশনাও খাৰিজ কৰিছিল।

০০০০০০০০

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জৈৱ বৈচিত্ৰ্য ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ জৰিয়তে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে বিশ্ব ধৰিত্ৰী দিৱস পালন কৰি অহা হৈছে। ১৯৬৯ চনত ইউনেস্ক' সন্মিলনত গ্ৰহণ কৰা পৰামৰ্শ অনুসৰি ১৯৭০ চনৰ পৰা আজিৰ দিনটোতে এই দিৱস পালন কৰি অহা হৈছে। এইবেলি বিশ্ব ধৰিত্ৰী দিৱসৰ বিষয়বস্তু হৈছে— আমাৰ শক্তি, আমাৰ গ্ৰহ। নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ কৰি ২০৩০ চনৰ ভিতৰত বিশ্বজুৰি স্বচ্ছ বিদুৎ উৎপাদন তিনিগুণ বৃদ্ধি কৰাৰ বাবে এইবাৰ গুৰুত্ব দিয়া হৈছে। এই দিৱস উদযাপনৰ ৫৬ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজি বিশ্বৰ ১৯২ দেশৰ জনসাধাৰণে বিভিন্ন কাৰ্যসূচীত অংশ লৈছে। ৰাজ্যৰ বিভিন্ন জিলাত গছপুলি ৰোপণ, প্লাষ্টিক বৰ্জন অভিযান, বিদ্যালয়-মহাবিদ্যালয়ত সজাগতা সভা আৰু চাইকেল ৰেলীৰ আয়োজন কৰা হৈছে।

০০০০০০০০

উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাত অৱস্থিত কেদাৰনাথ ধামৰ দ্বাৰ আজি ভক্তৰ বাবে মুকলি কৰি দিয়া হৈছে। অসমৰ জাপি আৰু প্ৰায় ৫১ কুইণ্টল ফুলৰ সহায়ত মন্দিৰটো সজাই তোলা হৈছে। ইতিমধ্যে প্ৰচণ্ড ঠাণ্ডাৰ মাজতো হাজাৰ হাজাৰ ভক্ত মন্দিৰত উপস্থিত হৈছে। আজিৰেপৰা অহা ছমাহলৈ কেদাৰনাথ ধামৰ দুৱাৰ খোলা থাকিব। মন্দিৰটো মুকলিৰ সময়ত উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামী উপস্থিত থাকি এইদৰে কয়–

বাইট

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে কেদাৰনাথ যাত্ৰা তথা চাৰিধাম যাত্ৰাই দেশৰ আধ্যাত্মিক উদযাপনত বিশ্বাস, একতা আৰু চহকী পৰম্পৰাক প্ৰতিফলিত কৰে। তেওঁ তীৰ্থস্থানসমূহ তথা ইয়াৰ চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ লগতে নদীসমূহ পৰিষ্কাৰ কৰি ৰখা আৰু এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক বৰ্জন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বদ্ৰীনাথ ধামৰ দ্বাৰ কাইলৈ ভক্তৰ বাবে খোলা হ'ব। জিলা আৰু আৰক্ষী প্ৰশাসনে নিৰাপদ যাত্ৰা সুনিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ

আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও শুকুৰবাৰৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ আজি এবছৰ সম্পূৰ্ণ হৈছে। যোৱা বছৰ আজিৰ দিনটোতে পেহেলগামত সন্ত্ৰাসবাদীয়ে ২৬ জন নিৰীহ লোকক হত্যা কৰিছিল। ইয়াৰে ভিতৰত অধিকাংশই পৰ্যটক আছিল। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰথম বৰ্ষপূৰ্তিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অকালতে প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁলোকৰ পৰিয়ালৰ প্ৰতি সমবেদনা প্ৰকাশ কৰিছে। এক্সত কৰা এটা প'ষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ আগত কেতিয়াও শিৰনত নকৰে আৰু সন্ত্ৰাসবাদীৰ ঘৃণনীয় ষড়যন্ত্ৰ সফল হ'ব নিদিয়ে। উল্লেখযোগ্য যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতীয় সেনাই যোৱা বছৰ ৬ আৰু ৭ মে'ৰ নিশা অপাৰেচন সিন্দূৰ আৰম্ভ কৰিছিল আৰু এই অভিযানত পাকিস্তানত থকা সন্ত্ৰাসবাদী কেইবাটাও ঘাটি ধ্বংস কৰা হৈছিল।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ডেলহি কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ  পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকাই প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাত আগবাঢ়ি আছে। ভাৰতীয় মহিলা ক্ৰিকেট দলে ছন্দ ঘূৰাই অনাৰ বাবে সংঘৰ্ষ কৰি আছে। দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত বৰ্তি ৰখাৰ চেষ্টা চলাব। এই শৃংখলাৰ চতুৰ্থখন খেল শনিবাৰে জোহান্সবাৰ্গত আৰু পঞ্চম তথা অন্তিমখন খেল ২৭ এপ্ৰিলত বেন'নিৰ বিলোমুৰ পাৰ্কত অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**